# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়

## ২.০০ ঠাই নামৰ সাংস্কৃতিক ঐতিহ্য

২.১ 'সংস্কৃতি' শব্দটোৰ ব্যৱহাৰ ভাৰতীয় ভাষাসমূহত অৰ্বাচীন। ইংৰাজী culture শব্দৰ সমাৰ্থক ৰূপে 'সংস্কৃতি' শব্দটোৰ পোন প্ৰথমে মাৰাঠী ভাষাত প্ৰয়োগ হয়। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু তেওঁৰ সমসাময়িক কেবাজনো লিখকে 'কালচাৰ' শব্দকে ব্যৱহাৰ কৰিছিল। কিন্তু আন এদল প্ৰগতিবাদী কবি সাহিত্যিকে ইংৰাজী শব্দটো প্ৰয়োগ নকৰি 'সংস্কৃতি' শব্দটোক ব্যৱহাৰ কৰি জনপ্ৰিয় কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছিল আৰু তেওঁলোক সফলো হ'ল।[১] সংস্কৃতত 'সম্ কৃ + ক্তিন্' সিদ্ধপদ সংস্কৃতি, ইয়াৰ অৰ্থ হয়গৈ সংস্কাৰ বা সংশোধন। সেই পিনৰ পৰা ইংৰাজী 'culture'ৰ সমাৰ্থক ৰূপে এই শব্দটো গ্ৰহণ কৰাত কোনো আপত্তি নাই।

ইংৰাজী 'culture' শব্দৰ মূল লেটিন। লেটিন culturঅৰ পৰা 'culture' হৈছে। culture ৰ অৰ্থ কৰ্ষণ, সংশোধন বা সংস্কাৰ সাধন।

'সংস্কৃতি' কাক বোলে—ইয়াৰ চমু সহজ উত্তৰ দিয়া টান। বহুতে সংস্কৃতিৰ সংজ্ঞা দিবলৈ প্ৰয়াস কৰিছে। নৃতাত্ত্বিক পণ্ডিত ই.বি. টেইলৰে সংস্কৃতিৰ সংজ্ঞা দিবলৈ গৈ কৈছে—জ্ঞান, বিশ্বাস, আচৰণবিধি, নীতি-নিয়ম, সমাজৰ অন্যতম ব্যক্তি হিচাপে আহৰণ কৰা মানুহৰ সকলো ৰকমৰ অভ্যাস বা আচৰণৰ অভিব্যক্তিয়েই সংস্কৃতি। ফ্ৰান্সিচ মেৰিল নামৰ আন এজন নৃতাত্ত্বিকৰ মতে মানুহৰ ইতিহাস অধ্যয়নেই সংস্কৃতিৰ অধ্যয়ন। ভাষাতাত্ত্বিক আৰু নৃতত্ত্ববিদ পণ্ডিতসকলে সংস্কৃতি বিষয়ৰ চৰ্চাত প্ৰধানতে তিনিটা উপাদানৰ উল্লেখ কৰিছে।[২] সেই কেইটা হ'ল—

ক) খাদ্য-সংগ্ৰহৰ কৌশল, আশ্ৰয়স্থল, নিৰ্মাণৰ নিপুণতা, প্ৰকৃতিক নিজৰ উপযোগী কৰাৰ ক্ষমতা।

খ) সমাজ ব্যৱস্থা, ব্যক্তিৰ লগত ব্যক্তিৰ সম্বন্ধ, ব্যক্তিৰ লগত সমাজৰ সম্বন্ধ স্থাপনৰ ব্যৱস্থা।

গ) মানসিক আৰু আধ্যাত্মিক উপাদান, ধ্যান-ধাৰণা, বিনয়-সদাচাৰ, সৌন্দৰ্যবোধ, সাহিত্য-সুকুমাৰ কলা প্ৰীতি।

সংস্কৃতি এটা জাতিৰ জীৱনৰ বোৱতী সুঁতি। বিদ্যা বুদ্ধি, শিল্প কলা, শিক্ষা-দীক্ষা, সৌন্দৰ্য-বোধ, ৰীতি-নীতি আদিৰ চৰ্চাৰ দ্বাৰা সামূহিক লব্ধ বিকাশেই সংস্কৃতি।

২.২ অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। ই গঢ় লৈছে ঘাইকৈ মঙ্গলয়ড়, অষ্ট্ৰলয়ড়, দ্ৰাবিড় আৰু আলাপাইন উপাদানেৰে। অসমৰ স্থান-নামসমূহত উক্ত সংস্কৃতিৰেই প্ৰভাৱ বিদ্যমান। তেনেকুৱা কিছুমান স্থান-নাম হ'ল—কামৰূপ, কামাখ্যা, হাজো, দিগাৰু, দিগবৈ, বলবলা ইত্যাদি।

২.৩ স্থানৱাচক নামবোৰত ব্যক্তিৰ সৌন্দৰ্যবোধ আৰু কাব্যিক মনৰ পৰিচয় নিহিত থাকে। পুৰণি অসমৰ সন্ধ্যাচল, সুমংগলা, বিহংগাচল আদি স্থানবাচক নাম সমূহত কাব্যিকতাৰ পৰিচয় পোৱা যায়।

২.৪ ধৰ্মীয় বিশ্বাসৰ আধাৰত বহুতো স্থান-নামৰ সৃষ্টি হৈছে। অসমৰ বহুতো স্থান-নাম ধৰ্মীয় বিশ্বাস বা কাহিনীৰ আধাৰত গঢ় লৈ উঠিছে। কামৰূপ, কামাখ্যা, অশ্বক্লান্ত, উমানন্দ, বশিষ্ঠ আদি স্থান নামবোৰৰ তাৎপৰ্যৰ অন্তৰালত যিবোৰ পৌৰাণিক কাহিনী জৰিত হৈ আছে, তেনে কাহিনীবোৰে অসমৰ প্ৰচলিত পূজা প্ৰথা আৰু তান্ত্ৰিকতাৰ পৰিচয় দাঙি ধৰে। আগতে যে ধৰ্মীয় বিশ্বাসৰ ভিত্তিত ঠাইৰ নাম গঢ় লৈ উঠিছিল এনে নহয়, সাম্প্ৰতিক কালতো ধৰ্মীয় দৃষ্টিভঙ্গীৰে ঠাইৰ নামকৰণ কৰা হয়; যেনে—গীতা নগৰ, দ্বাৰকা নগৰ, মথুৰা নগৰ, ৰুক্মিণী নগৰ, কৃষ্ণ নগৰ ইত্যাদি। এই ঠাইবোৰৰ নামৰ পৰা সমাজত ৰুক্মিণীৰ সৰবৰহিতা, কৃষ্ণৰ মাহাত্ম্য, বিশ্বাসৰ কথাকে আজিও সোঁৱৰাই দিয়ে।

২.৫ গছ-গছনিৰ নামেৰে যিবোৰ ঠাই নাম পোৱা যায় সেইবোৰৰ পৰা অসমৰ সামাজিক জীৱনৰ প্ৰয়োজনীয় গছ-গছনিৰ নামেৰে দিয়া স্থানসমূহৰ জৰিয়তে সমাজত গছ সম্পৰ্কীয় লোক বিশ্বাস আদিৰ লগতে সেইবিধ গছৰ প্ৰাদুৰ্ভাৱৰ বিষয়েও জানিব পাৰি। প্ৰাচীন কালৰ পৰা বৃক্ষক পবিত্ৰজ্ঞান কৰি পূজা কৰাৰ প্ৰথা ভাৰতৰ সকলো প্ৰান্ততে প্ৰচলিত হৈ আছে। আঁহত, বেল, আম, বট, বকুল আদিক পৱিত্ৰ গছ হিচাবে পূজা কৰা হয়। বেল,

বেলপাত, তুলসী, কলগছ, তামোল, দুবৰিবন, পূজাৰ সামগ্ৰী ৰূপে ব্যৱহাৰ হয়। ভক্তি ভাৱৰ বিশ্বাসতেই গছৰ নামেৰে ঠাইৰ নাম অসম তথা কামৰূপত সংখ্যাত প্ৰচুৰ। যেনে— আঁহতগুৰি, বকুলগুৰি, বেলগুৰি, আমতোলা, তুলসীবাৰী ইত্যাদি। ইয়াৰ উপৰিও যি ঠাইত কোনো বস্তুৰ প্ৰাদুৰ্ভাৱ, সেই বস্তুৰ নামেৰে চিহ্নিত কৰা দস্তুৰ আছিল, যেনে—হালধিবাৰী, পিপলীবাৰী ইত্যাদি। এই নাম বিলাকৰ সৃষ্টিৰ আঁৰত সেই সমাজৰ ধ্যান-ধাৰণা, আচাৰ-বিচাৰ আদিৰ পৰিচয়ো পোৱা যায়।

২.৬ পূৰ্বে ধান-মাহ আদি শস্য ওৱাদানিকৈ উৎপন্ন হোৱা বাবে কিছুমান ঠাইৰ নাম সেই শস্যৰ নামেৰে ৰাখিছে। মুগকুছি, বেহৰবাৰী, মাহতলি, বৰ্ণি আদি। এই নামবোৰে সমাজখনৰ কৃষিকৰ্ম, বিবিধ দ্ৰব্যৰ উৎপাদন, বেচা-কিনা তথা সুলভ আদিৰো ইংগিত দিয়ে।

২.৭ অসমৰ মানুহে ফুল ভাল পায়, আৰু তাক আদৰ কৰে। ইয়াৰ হাবি-বননিত অতি সুন্দৰ সুন্দৰ নানা ৰঙৰ ফুল পোৱা যায়। তাৰ উপৰিও নিজৰ নিজৰ ঘৰৰ চৌহদ শুৱনি কৰিবলৈ নানা তৰহৰ ফুল ৰুই বাগিছা সজায়। ই আচলতে সৌন্দৰ্যশালী মনৰ নিদৰ্শন দাঙি ধৰে। ফুলে অসমীয়া সাহিত্য, গীত বিভিন্ন লোকাচাৰ, উৎসৱ আদি প্ৰমুখ্য কৰি সংস্কৃতিৰ বৰচৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। ফুলক শাৰিৰীক প্ৰসাধনৰ সামগ্ৰী হিচাপেও অসমীয়া মহিলাই ব্যৱহাৰ কৰি আহিছে। তদুপৰি বিভিন্ন ফুলৰ নামেৰে স্থানৰ নামকৰণ কৰিও আহিছে। তেনেকুৱা ঠাইৰ নামবোৰে সেই ঠাইত ফুলৰ আদৰ কিম্বা সেই ফুলৰ প্ৰাদুৰ্ভাৱ সম্পৰ্কে সূচনা দিয়ে। মদাৰ ফুলেৰে পৰিবেষ্টিত হৈ থকা ঠাইখন মদাৰতল, পদুমফুলে ঠাইখনক বিশেষত্ব দান কৰা বাবে ঠাইখনৰ নাম 'পদুমপুখুৰী' তেনেদৰেই 'কেতেকীবাৰী', 'কমলপুৰ', 'বকুলতল', 'ফুলগুৰি, 'নাহৰণি' ইত্যাদি।

২.৮ মানৱ সমাজত জীৱ-জন্তুৱে বিশেষ সময়ত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন জীৱ-জন্তুৱে সময়ে সময়ে খাদ্য, বাহন হিচাপে ব্যৱহাৰ হোৱাৰ উপৰিও কৃষিকৰ্মত ব্যৱহৃত হৈ আছে। বহুতো জীৱ-জন্তুক কেন্দ্ৰ কৰিয়ে ভালেমান বিশ্বাস আৰু সামাজিক প্ৰথাৰ উৎপত্তি হৈছে। অসমীয়া সংস্কৃতিত জীৱ-জন্তুৱে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত অসমীয়া হিন্দু সমাজত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা গৰুৰ কথাই উনুকিয়াব পাৰি।

অসমৰ বিভিন্ন স্থানত থকা অৰণ্যত বনৰীয়া নানা ৰকমৰ জন্তুৰে ভৰপূৰ। কোনো সময়ত হয়তো কোনো স্থানত কোনো হিংস্ৰ জন্তু নিধন কৰাত সেই জন্তুৰ নামেৰেই সেইখন ঠাইৰ নামকৰণ কৰা হৈছিল বুলি জানিব পাৰি। তেনেকুৱা কিছুমান ঠাই হ'ল– বাঘমাৰা, ভালুকমাৰি, উদমাৰি, শিয়ালমাৰি ইত্যাদি।

হাতীগাঁও, হাতীগড়, গৰেহাগি, গৰু বন্ধা পাহাৰ, গাইবন্ধা, কুকুৰমাৰা আদি জন্তুৰ নামেৰে পোৱা এই স্থান-নামবোৰত বহুতো জনশ্ৰুতিমূলক কাহিনী পোৱা যায়।

২.৯ চৰাইৰ নামেৰেও অসমৰ ভালেসংখ্যক স্থানৰ নামৰ সৃষ্টি হৈছে। চৰাইৰ সৌন্দৰ্যই সাহিত্যত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। বিহুগীত, বনগীত আদিতো চৰাইৰ উল্লেখ আছে। চৰাই পালন কৰি তাৰ মাংস আৰু কণী মানুহে সুখাদ্য হিচাপে ব্যৱহাৰ কৰে। চৰাইক লৈ বহুতো জনবিশ্বাসো আমাৰ সমাজত প্ৰচলিত। গতিকে স্থান নামতো চৰাইৰ এই প্ৰভাৱ পৰিলক্ষিত হয়। কাউৰীহাগি, কাউৰীপাৰা, কাউৰে খাইটি, কাকধোৱা, হাঁহচৰা, শগুণবাহি ইত্যাদি চৰাইৰ নামেৰে হোৱা ঠাই।

২.১০ মাছ অসমীয়া মানুহৰ প্ৰিয় আৰু প্ৰধান খাদ্য। 'কথা-গুৰু চৰিত'ত উল্লেখ আছে যে, শংকৰদেৱ আৰু মাধৱদেৱ উভয়ে সত্ৰ স্থাপনৰ ক্ষেত্ৰত অন্যান্য সা-সুবিধাৰ উপৰিও মাছ-পুঠিৰ সুলভতাৰ দিশতো চকু দিছিল।[৩] অসমৰ নৈ-বিল, খাল-দোং আদিত শাল, শোল, মাগুৰ, শিঙি, কাৱৈ, ৰৌ, বৰালি, ভকুৱা, পুঠি, খলিহনা, মিছা মাছ, কাছ আদিও অধিক পৰিমাণে পোৱা গৈছিল। সেয়েহে সৰহীয়াকৈ পোৱা মাছৰ নামেৰে বহু ঠাইৰ নাম ৰখা হৈছে, যেনে– মাগুৰমাৰি, শিঙিমাৰি, কাৱৈমাৰি, খলিহামাৰি, পুঠিমাৰি, ৰৌমাৰি, ভকুৱামাৰি, গৰৈমাৰি, শ'লমাৰি, কাছমাৰি আদি ঠাইলৈ আঙুলিয়াব পাৰি।

বহুতো উপকথা, কিম্বদন্তি, সাধুকথা লোকবিশ্বাস আদিৰ লগত মাছ জৰিত। মাছৰ নামেৰে হোৱা ঠাইবোৰে অসমীয়া সংস্কৃতিৰ বিবিধ দিশ উজলাই তোলে।

২.১১ ভিন ভিন জাতি, উপাধি, বৃত্তি আদি অনুসৰিও ঠাইৰ নাম ৰখা হয়। এনেধৰণৰ স্থান-নামবোৰে অসমীয়া সমাজত জাতিভেদ তথা জাত-পাতৰ ওপৰত থকা গুৰুত্ব ভিন্ন বৃত্তিধাৰী মানুহৰ বসবাসৰ আভাস দিয়ে। বৃত্তি অনুসৰি বা জাতি অনুসৰি বেলেগে বেলেগে বাস কৰাৰো ইংগিত দিয়ে। ইয়ে সংস্কৃতিৰ অন্য এটি দিশৰ কথাও সূচায়। এনে কিছুমান স্থান

নাম হ'ল বামুনপাৰা, গায়নহাটী, ভাগৰতীপাৰা, কলিতাকুছি, কোচ-টোলা, কুমাৰপাৰা, কমাৰ গাঁও, হীৰাপাৰা, সাউদৰ ভিঠা, মুদৈ পাৰা, কাহাৰ পাৰা ইত্যাদি।

২.১২ কলাসুলভ সুন্দৰ নামেৰেও স্থান নাম পোৱা যায়। এনেধৰণৰ নামবোৰে সমাজৰ অন্য এক প্ৰতিচ্ছবি দাঙি ধৰে। বৈষ্ণৱধৰ্মী লোকসকলে ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তিৰ উপাসনা কৰি আনন্দ লাভ কৰা ঠাইখনক আনন্দপুৰ বোলে। ইয়ে সমাজত কৃষ্ণক উপাসনা দেৱতা ৰূপে পূজা কৰা দিশটোক সূচায়। ভোগৰ সামগ্ৰীৰে পৰিপূৰ্ণ গাঁও 'ভোগপুৰ'। ইয়ে সেই ঠাইত সকলো বস্তুৰ নদন-বদন অৱস্থাৰ ইংগিত দিয়ে।

২.১৩ কিছুমান স্থান নামৰ সৈতে ঐতিহাসিক ঘটনা বিজৰিত হৈ আছে। তেনেকুৱা কিছুমান স্থান নাম হ'ল—কুৰুৱা, আৰাংমুৰ, ৰণাকুছি, কুমাৰকটা, শৰাইঘাট প্ৰভৃতি। এইবিলাক স্থান নামে সেই কালৰ কোনো যুদ্ধ, বিভিন্ন জাতি, আক্ৰমণকাৰীৰ দ্বাৰা আক্ৰমিত আৰু আক্ৰমণকাৰী সমাজৰ সংস্কৃতিৰ বিভিন্ন দিশ অধ্যয়নত সহায় কৰে।

২.১৪ সম্প্ৰতি কিছুমান বিশিষ্ট লোকৰ নাম অনুসৰি ঠাইৰ নাম ৰখা হৈছে। যেনে--কুঁশল নগৰ, লাচিত নগৰ, তৰুণ নগৰ, নবীন নগৰ, গান্ধবস্তি, জৱহৰ নগৰ, সুভাষ-পল্লি আদি উল্লেখনীয়। অসমৰ বহুত ঠাইৰ নাম কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, কামাখ্যাতন্ত্ৰ প্ৰভৃতি থকাৰ উপৰিও বুৰঞ্জীসমূহেও পৰ্বত, পাহাৰ, নদ, নদীৰ সবিশেষ বৰ্ণনা দিয়ে।

২.১৫ শ্ৰীসূৰ্য পাহাৰৰ শিলত খোদিত নানান দেৱ-দেৱীৰ মূৰ্তিৰ লগতে সূৰ্য পূজাৰ নিদৰ্শন চান্দোৰ ডিঙাৰ পুৰণি ইতিহাস নৰকাসুৰ পাহাৰৰ তেত্ৰিছ কৌটি দেৱতাৰ বিগ্ৰহ, দেওঁ-দুৱাৰৰ মদন-কামদেৱ মন্দিৰৰ ঐতিহ্য, চিক্‌নাঝাৰৰ ঐতিহাসিক তথ্য, ভৈৰৱচুড়া পাহাৰৰ কীৰ্তিচিহ্ন, চম্পক নগৰৰ পৌৰাণিক কাহিনী—এইবোৰ বিশ্লেষণ কৰিলে দেখা যায়।

বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰতিখন ঠাইৰ নামৰ আঁতিগুৰি বিচাৰি গ'লে ঠাইৰ নামৰ আঁৰত সেই ঠাইৰ সমাজ, তাত বাস কৰা মানুহ, তেওঁলোকৰ জীৱন ধাৰণ পদ্ধতি, ৰীতি-নীতি, বিভিন্ন লোকাচাৰ, কৃষ্টি আদি নিহিত হৈ আছে। স্থান নামবোৰে এটা জাতিৰ সংস্কৃতিৰ একোটা দিশ স্পষ্ট কৰে।

**প্ৰসংগটীকা ঃ**

১. সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী ঃ *নিবন্ধ চয়ন*, পৃ. ৩

২. বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *অসমৰ লোক-সংস্কৃতি*, ২৩১

৩. মহেশ্বৰ নেওগ (সম্পা.) ঃ গুৰু চৰিত কথা, পৃ. ১০৭